**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ আজি নিৰ্বাচনী প্ৰচাৰ।

২। বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ আজি আৰম্ভ।

৩। ৰাজ্যত আজিৰে পৰা নতুন শিক্ষা বৰ্ষ আৰম্ভ। ২০২৬ বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অনলাইন পঞ্জীয়নৰ বাবে বিদ্যালয় শিক্ষা পৰিষদৰ প'ৰ্টেল মুকলি।

৪। এপ্ৰিল, মে' আৰু জুনত অসমসহ উত্তৰ-পূৰ্বাঞ্চলত তাপমাত্ৰা সৰ্বোচ্চ হোৱাৰ লগতে বৰষুণ স্বাভাৱিকতকৈ কম হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ প্ৰকাশ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে পঞ্জাব কিংছৰ ৩ উইকেটত জয়লাভ।

oooooo

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত বিজয় সংকল্প সভাত অংশ ল'ব। তেওঁ দিনৰ ১১ বজাত ধেমাজিৰ গোগামুখ আৰু দুপৰীয়াৰ ভাগত বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাব। বিহালীত প্ৰধানমন্ত্ৰীৰ প্ৰচাৰ অভিযান সন্দৰ্ভত সবিশেষ জনাই আমাৰ বিশ্বনাথৰ সংবাদদাতা অম্লান কাশ্যপে-

**ভইচকাষ্ট (অম্লান কাশ্যপ)**

প্ৰধানমন্ত্ৰী মোদী ৬ এপ্ৰিলত মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে কাইলৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ড০ শৰ্মাই কাইলৈ খোৱাং, দুলীয়াজান, ডিগবৈ, মাকুম আৰু তিনিচুকীয়াত বিজয় সংকল্প সভা তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীয়ে কালি ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি দেৰগাঁৱত প্ৰচাৰ চলায়। শীতল পথাৰত জনসভাত অংশ লৈ মন্ত্ৰীগৰাকীয়ে গোলাঘাট আৰু যোৰহাট জিলাৰ এন ডি এ প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলায়। ইয়াৰ আগেয়ে শ্ৰীসিঙে তেজপুৰত প্ৰচাৰ সভাত অংশ লয়। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিচে কালি যোৰহাটৰ এ টি

ৰোডত আয়োজিত প্ৰচাৰ সভাত অংশ লৈ সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে ডিব্ৰুগড়ত বিজেপি প্ৰাৰ্থী প্ৰশান্ত ফুকনৰ হৈ নিৰ্বাচনী সভাত ভাগ লয়।

**বাইট (দেৱেন্দ্ৰ ফাড়নাবিচ)**

বিজেপিৰ নেত্ৰী স্মৃতি ইৰাণীয়ে কালি ধেমাজিৰ চিমেনমুখ কুলীবজাৰ অঞ্চলত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন পেগুৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিগবৈ আৰু মাকুমত আয়োজিত জনসভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে কালি বিলাসীপাৰাত প্ৰচাৰ চলায়। বাক্সা সমষ্টিৰ গণ সুৰক্ষা দলৰ প্ৰাৰ্থী ৰমেশ চন্দ্ৰ দাসে ককলাবাৰী পৰিষদীয় সমষ্টিত প্ৰচাৰ চলায়।

AIMIM দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে কাইলৈ ৰূপহীহাট, চামগুৰি, দলগাওঁ, ধিং, লাহৰীঘাটত আৰু পৰহিলৈ বিন্নাকান্দি, গোৱালপাৰা পূব, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

oooooo

ৰাজ্যত ৮৫ বছৰ বয়সৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া চলি আছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰিটাৰ্নিং বিষয়াসকলে অনুমোদন দিয়া মুঠ ১৯ হাজাৰ ৭৭৪ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু ছয়হেজাৰ ৬৩৮ গৰাকী বিশেষভাৱে সক্ষম লোকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। অসমৰ উপৰি কেৰালাম আৰু পুডুচেৰীত ৫ এপ্ৰিলৰ পূৰ্বে এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ভোটগ্ৰহণকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ সময়ত কোনো ভোটদাতা বাসগৃহত উপস্থিত নাথাকিলে দ্বিতীয়বাৰৰ বাবে গৈ ভোটগ্ৰহণ কৰিব লাগিব বুলি কোৱা হৈছে।

মাজুলী জিলাত কালি দ্বিতীয় দিনাও জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাসকলৰ বাবে ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়। প্ৰশাসনৰ দ্বাৰা নিয়োজিত দলসমূহে এনে ভোটগ্ৰহণৰ সুবিধা লাভ কৰা প্ৰতিগৰাকী ভোটদাতাৰ বাসগৃহত উপস্থিত হৈ গণতান্ত্ৰিক দায়িত্ব পালনত সহায় কৰিছে। বাক্সা জিলাত কালি এই প্ৰক্ৰিয়াৰ সামৰণি পৰে। ঘৰৰ পৰাই ভোটদানৰ এই প্ৰক্ৰিয়াৰ অধীনত জিলাখনৰ মানাহ বিধানসভা সমষ্টিৰ ১৪৫ আৰু জনজাতিৰ বাবে সংৰক্ষিত বাক্সা সমষ্টিত ২০৬ গৰাকী ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

চিৰাং জিলাত কালিৰেপৰা গৃহ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। জিলাখনত মুঠ ৫১৯ গৰাকী ভোটদাতাই এই সুবিধা লাভ কৰিছে।

দৰং জিলাতো বিধানসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

নলবাৰী জিলা নিৰ্বাচনী বিভাগে জিলাখনৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাৰ ঘৰলৈ গৈ ভোটগ্ৰহণ কৰি আছে। জিলাখনত আজিও এই প্ৰক্ৰিয়া অব্যাহত থাকিব।

বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ ৮৫ বছৰ উৰ্ধৰ আৰু দিব্যাংগ লোকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। বৰপেটা নিৰ্বাচনী জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত মুঠ ৫৫৯গৰাকী ভোটাদাতাৰ ঘৰত ভোটগ্ৰহণ কৰা হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰিছে।

ডিব্ৰুগড় জিলাৰ সাধাৰণ নিৰ্বাচনী পৰ্যবেক্ষক চিপহাং আৰ্থাৰ ৰৰছুয়ে কালি ঘৰৰ পৰা ভোটদান ব্যৱস্থাৰ পৰ্যবেক্ষন কৰাৰ উদ্দেশ্যে টিংখং বিধানসভা সমষ্টিৰ অধীনৰ বিভিন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত নিৰ্বাচনী পৰ্যবেক্ষকগৰাকীয়ে দুজন বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰৰ পৰা ভোটদান প্ৰক্ৰিয়াৰ তদাৰক কৰে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ইভিএম আৰু ভিভিপেটৰ দ্বিতীয়টো ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ৰেণ্ড'মাইজেছন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতে ভোটকেন্দ্ৰভিত্তিত মেচিনসমূহৰ বিশদ তালিকা সকলো প্ৰাৰ্থী আৰু তেওঁলোকৰ প্ৰতিনিধিসকলক প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ উপস্থিতিত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যবেক্ষক, জিলা নিৰ্বাচনী বিষয়া তথা ৰিটাৰ্ণিং বিষয়াৰ তত্বাৱধানত এই ৰেণ্ড'মাইজেছন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। ইয়াৰ জৰিয়তে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ব্যৱহাৰ হ'বলগীয়া বেলট ইউনিট আৰু ভিভিপেটৰ সংখ্যা নিৰ্ধাৰণ কৰা হয়। জিলাসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় মেচিনৰ উপৰি জৰুৰীকালীন অৱস্থাৰ বাবে পৰ্যাপ্ত সংৰক্ষিত মেচিনো এই প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়।

নলবাৰী জিলাত কালি ইভিএমৰ কমিচনিং আৰম্ভ হৈছে। জিলাখনৰ বৰক্ষেত্ৰী সমষ্টিৰ ২৯২টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৪২৩টা কন্ট্ৰল ইউনিট, ৩৭৩টা বেলট ইউনিট আৰু ৪১২টা ভিভিপেট থাকিব। একেদৰে নলবাৰী সমষ্টিৰ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৩৯০টা কন্ট্ৰল ইউনিট, ৩৪২টা বেলট ইউনিট আৰু ৩৭৭টা ভিভিপেট থাকিব। টিহু সমষ্টিৰ ২৬২টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৩৮৩টা কন্ট্ৰল ইউনিট, ৩৩৫টা বেলট ইউনিট আৰু ৩৬৮টা ভিভিপেট থাকিব। কামৰূপ জিলাতো ইভিএমৰ কমিচনিং আৰম্ভ হৈছে। জিলাখনৰ আটাইকেইটা সমষ্টিৰ প্ৰাৰ্থী তথা নিৰ্বাচনী প্ৰতিনিধিক ইতিমধ্যে কমিচনিঙৰ সময়সূচীৰ বিষয়ে অৱগত কৰোৱা হৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি ইভিএম কমিচনিঙৰ পৰিপ্ৰেক্ষিতত জিলাই জিলাই পৰ্যাপ্ত সুৰক্ষা নিশ্চিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০০

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ আজি আৰম্ভ হ'ব। এয়া হ'ব দেশৰ ষোড়শ আৰু স্বাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব আৰু এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প থাকিব। স্ব-গণনাৰ এই প্ৰক্ৰিয়া আজিৰে পৰা ১৫ তাৰিখলৈ মুকলি থাকিব। ঘৰৰ তালিকা প্ৰস্তুত আৰু গণনা ১৬ এপ্ৰিলৰ পৰা আৰম্ভ হ'ব আৰু ১৫ মে'ত সামৰণি পৰিব। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকাৰ প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনাগত শিক্ষা বৰ্ষৰ বাবে শৈক্ষিক পঞ্জী ঘোষণা কৰিছে। এই অনুসৰি আজিৰে পৰা নতুন শিক্ষা বৰ্ষ আৰম্ভ হৈছে। নতুন শিক্ষা বৰ্ষত ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ দিনকে ধৰি মুঠ ২৫৪ দিন বিদ্যালয়ত উপস্থিত থাকিব লাগিব। এই শিক্ষা বৰ্ষত বিদ্যালয়সমূহত গ্ৰীষ্মবন্ধসহ ১১১ দিন পাঠদান বন্ধ থাকিব।

ইপিনে ২০২৬ বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অনলাইন পঞ্জীয়নৰ বাবে বিদ্যালয় শিক্ষা পৰিষদে আজিৰ পৰা প'ৰ্টেল মুকলি কৰিব। এই অনলাইন পঞ্জীয়নৰ অহা ১৫ মে'ত অন্ত পৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্যৰ সকলো হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা মতে পঞ্জীয়নৰ বাবে সংশ্লিষ্ট বিদ্যালয়ে ১১টা সংখ্যাৰ ইউদাইচ কোড প্ৰদান কৰাটো বাধ্যতামূলক। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ডৰ নাম্বৰ, অপাৰ আই ডিকে ধৰি অন্যান্য নথিসমূহ প্ৰয়োজন হ'ব বুলি নিৰ্দেশনাত কোৱা হৈছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পঞ্জাব কিংছে গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। নৱাগত খেলুৱৈ কুপাৰ কন'লিৰ অপৰাজিত ৭২ ৰানৰ সহায়েৰে পঞ্জাব কিংছে ১৯ অভাৰ আৰু এটা বলত ৭টা উইকেট হেৰুৱাই গুজৰাট টাইটানছে নিৰ্ধাৰণ কৰি দিয়া ১৬২ ৰানৰ লক্ষ্য অতিক্ৰম কৰে। গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬২ ৰান সংগ্ৰহ কৰে। কুপাৰ কন'লিক মেন অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এপ্ৰিল, মে' আৰু জুনত অসমসহ উত্তৰ-পূৰ্বাঞ্চলত সৰ্বোচ্চ তাপমাত্ৰা অধিক হ'ব আৰু বৰষুণ স্বাভাৱিকতকৈ কম হ'ব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি ৰাজ্যত মাৰ্চত ১৬৬ দশমিক ৬ মিলিমিটাৰ বৰষুণ হৈছে আৰু এই পৰিমাণ স্বাভাৱিকতকৈ ১২৯ শতাংশ অধিক। বিভাগটোৱে লগতে কাইলৈৰ পৰা বৰষুণ পৰিমাণ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অৱশ্যে এই সময়ছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰে দেশৰ অধিকাংশ ঠাইত বৰষুণৰ পৰিমাণ স্বাভাৱিকতৈ অধিক হ'ব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে দুই-এজাক বৰষুণ দিয়াৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মিজোৰাম, নাগালেণ্ড, মণিপুৰ, আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। অসম বিধানসভা নিৰ্বাচনৰ বাবে কালি বিজেপিয়ে সংকল্প পত্ৰ মুকলি কৰে। দলৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৩১টা সংকল্পৰে এই পত্ৰ মুকলি কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। আমাৰ অসম কাকতত প্ৰকাশিত একেটা বাতৰিৰ শিৰোনামঃ বিজেপিৰ সংকল্প পত্ৰত বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি। দৈনিক অগ্ৰদূত, দি আচাম টিব্ৰিউন আৰু দি চেন্টিনেল কাকতেও বিজেপিয়ে সংকল্প পত্ৰ**

প্ৰকাশ কৰা বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে। কালি ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰটোৰ দ্বিতীয় দিনাৰ শুনানি সম্পন্ন হয়। জুবিন গাৰ্গক ৰাজনীতিৰ মাজলৈ নাটানিব বুলি গৰিমা গাৰ্গে কাতৰ অনুৰোধ জনোৱা বাতৰিটো অনান্য কাকতৰ লগতে **দৈনিক জনমভূমি** কাকতত প্ৰকাশ পাইছে। জুবিন গাৰ্গৰ নামত কংগ্ৰেছ দলে জঘন্য ৰাজনীতি কৰাৰ অভিয়োগ তুলি কালি সংবাদমাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী সৰৱ হোৱা বাতৰিটো **অসমীয়া খবৰ** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে 'দৰিদ্ৰ অসমৰ ৩৯ শতাংশ প্ৰাৰ্থীয়েই কোটিপতি' বুলি আন এটা বাতৰিক প্ৰধান বাতৰি হিচাপে পৰিৱেশন কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে আছুতীয়াকৈ আন এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। যোৰহাটৰ মহবন্ধাত থকা চুকাফা সমন্বয় ক্ষেত্ৰক লৈ কাকতখনে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰা বাতৰিটোৰ শিৰোনামঃ **প্ৰথমগৰাকী স্বৰ্গদেউৰ স্মৃতিত তৰুণ গগৈয়ে সাজি থৈ যোৱাৰ বাবেই হিমন্ত বিশ্বৰ অৱজ্ঞা, চুকাফাক্ষেত্ৰক আলৈ আথানি মুখ্যমন্ত্ৰীৰ**। ৰাজ্যত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ স্বাৰ্থত নিৰ্বাচন আয়োগে ৮০০ অৰ্ধসামৰিক বাহিনীৰ কোম্পানী নিয়োগ কৰিব বুলি এটা বাতৰিয়ে **দৈনিক অসম** কাকতৰ প্ৰথম পৃষ্ঠাত আছুতীয়াকৈ শিৰোনাম দখল কৰিছে।

০০০০০০

**সমাপ্ত**